# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

Date : 09-03-2026

**Time :** 1100 Hrs.

সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে। এই অধিৱেশন অহা ২ এপ্ৰিলত অন্ত পৰিব। বিৰোধী দলে অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আজি লোকসভাত আলোচনা হ'ব। কংগ্ৰেছৰ তিনিজন সাংসদ- মহম্মদ জাভেদ, কে সুৰেশ আৰু মাল্লু ৰবিয়ে সংসদত এই প্ৰস্তাৱ উত্থাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দাঙি ধৰিব। ইপিনে ৰাজ্যসভাত আজি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে যোৱা মাহত অনুষ্ঠিত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত বিৰোধী পক্ষই অধ্যক্ষক আঁতৰোৱাৰ দাবী জনাই লোকসভাৰ সাধাৰণ সচিবলৈ অনাস্থা প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। এই প্ৰস্তাৱত তেওঁলোকে শ্ৰীবিৰলাৰ বিৰুদ্ধে পক্ষপাতমূলক আচৰণৰ অভিযোগ তুলিছিল। তৃণমূল কংগ্ৰেছৰ বাহিৰে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, বাওঁ আৰু অন্যান্য দলৰ ১১৮ জন সাংসদে এই অনাস্থাত সমৰ্থন জনাইছিল।

০০০০০০০

অসমৰ বিভিন্ন আদালতত যোৱা ফেব্ৰুৱাৰী পৰ্যন্ত পাঁচ লাখ ৭২ হাজাৰতকৈ অধিক গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত কেইবা হাজাৰো গোচৰ ১০ৰ পৰা ২০ বছৰ পুৰণি। ন্যায়িক বিভাগৰ তথ্য অনুসৰি যোৱা ৯ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যৰ বিভিন্ন আদালতত পাঁচ লাখ ৭২ হাজাৰ ৮৬৭ টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত ৫৪ হাজাৰ ৭৭৮ টা গোচৰ পাঁচ বছৰ পুৰণি। একেদৰে ১০ বছৰৰো অধিক পুৰণি ন হাজাৰ ৫৬৪টা গোচৰ এই পৰ্যন্ত নিষ্পত্তি নোহোৱাকৈ আছে। আদালতত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহৰ ভিতৰত অধিকাংশ হৈছে ফৌজদাৰী গোচৰ।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী কুচকাৱাজ বৃদ্ধি পাইছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা চলাইছে। আজি বজালী, টিহু আৰু নলবাৰী সমষ্টিত বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশ ল'ব।

ইপিনে সমাগত বিধানসভা নিৰ্বাচনত কেইবাটাও বিৰোধী দলে মিত্ৰতা কৰাৰ চৰ্চা চলি আছিল যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলে মিত্ৰতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি দলটোৱে এটা বিবৃতিযোগে বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰাৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগতে কেইবাটাও সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছে। নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদি অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে আজি নতুন দিল্লীত কংগ্ৰেছ দলত যোগদান কৰিব।

০০০০০০০

বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি ১৫০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বিটিচিৰ প্ৰধান গৰাকীয়ে নাগ্ৰীজুলি স্নাতক মহাবিদ্যালয়, ঔবাৰী মিনি ষ্টেডিয়াম আৰু নাওকাটাৰ শুক্লাই উদ্যানত পুতলাৰ ৰে'ল, পানীৰ ফোৱাৰাকে ধৰি বিভিন্ন ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত এখন সভাত অংশ লৈ শ্ৰীমহিলাৰীয়ে ছটা ধৰ্মীয় অনুষ্ঠানলৈ অসম দৰ্শন আঁচনিৰ

অধীনত অনুদান আগবঢ়ায়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গোৰেশ্বৰ-বাইহাটা চাৰিআলি সংযোগী পথৰ ওপৰত ১৩৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লৰে অভাৰব্ৰীজৰ আধাৰশিলা স্থাপন কৰে। অহা দুই-আঢ়ৈ বছৰৰ ভিতৰত এই অভাৰব্ৰীজখনৰ নিৰ্মাম কাৰ্য সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকে ধৰি বিটিচিৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এইকথা প্ৰকাশ কৰে।

০০০০০০০

অসম চাহ উদ্যোগ বিশেষ উদগনি আঁচনি আৰু শিক্ষা ঋণ ৰাজ সাহায্য আঁচনি অভিনন্দনৰ অধীনত আজি আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। দিছপুৰৰ কৰ ভৱনত এই উপলক্ষে  আয়োজিত অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকিব। উল্লেখযোগ্য যে অসম চাহ উদ্যোগ বিশেষ উদগনি আঁচনিৰ অধীনত অৰ্থডক্স আৰু বিশেষ চাহৰ উৎপাদনক উৎসাহিত কৰাৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৪৮৬ খন চাহ বাগিচাত আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। একেদৰে অভিনন্দন আঁচনিৰ অধীনত ২০২০-ৰ পৰা ২০২৪ বিত্তীয় বৰ্ষত শিক্ষা ঋণ লৈ বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা শিক্ষা গ্ৰহণ কৰা ৪৩৭ গৰাকী অৰ্হতাসম্পন্ন শিক্ষাৰ্থীলৈ ৫০ হাজাৰ টকাকৈ এককালীন বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

০০০০০০০

**সমাপ্ত**